

অনুভূতি
গণেশ চন্দ্র সাহা

# অনুভূতি

গণেশ চন্দ্র সাহা

ANUBHUTI
A book of Multilingual Poetry
by Gonesh Chandra Saha

ISBN : 978-81-955424-0-6

প্রথম প্রকাশ ঃ জুন, ২০২২

প্রচ্ছদ ঃ কৌশিক বিশ্বাস

প্রকাশক ঃ সুরজিৎ বনিক, বিয়ন্ড হরাইজন পাবলিকেশন
স্টেশন রোড, আলিপুরদুয়ার কোর্ট, আলিপুরদুয়ার।
পশ্চিমবঙ্গ ঃ ৭৩৬১২২, ভারত।

ডিজাইন ঃ গণেশ চন্দ্র সাহা

প্রিন্টার্স ঃ ডজিটেল প্রেশ, স্টেশন রোড, আলিপুরদুয়ার কোর্ট।

মূল্য ঃ ১৫০/-

# Dedication

The Book is dedicated to my parents who left the world twenty one years ago, and to my daughter who left us forever, all of a sudden.....

Father : Lt. Balai Ch. Saha
Mother : Lt. Kamala Bala Saha
Daughter : Lt. Sanchita Saha

# Preface

The poems belonging to the book are multilingual (Assamese, Bengali & English). The subject matter of these poems is based on current events. These also are replete with emotion, passion and grief. Some problems and difficulties faced by the human beings in society are expressed here to make people aware of the realities of life.

# অনুভূতি

# কবিতাক্ৰম


| | |
|---|---|
| ভাৰতীয় আমি গৰ্বিত | ১ |
| অন্তৰায় | ২ |
| নাহিবা তুমি | ৩ |
| ভগ্নী তুমি | ৪ |
| মই আজি মৰুভূমি | ৬ |
| উদাৰপন | ৮ |
| পথিক | ৯ |
| প্ৰগতি | ১০ |
| নিজৰ বুলি একো নাই | ১১ |
| বিশ্বাস অবিশ্বাস | ১২ |
| বাণী | ১৪ |
| নিষ্ফল স্বপ্ন | ১৫ |
| নিয়তি | ১৬ |
| অপূৰ্ণ হেপাঁহ | ১৭ |
| নিষ্ঠুৰ বাস্তৱ | ১৮ |
| নিঃসঙ্গ | ১৯ |
| আশাৰ তৰী | ২০ |
| জীৱন | ২২ |
| সংসাৰ জীৱন | ২৩ |
| সময় | ২৪ |
| সুখে থেকো | ২৬ |
| একবিংশ শতাব্দীৰ কুটিলতা | ২৮ |
| প্ৰশ্নবোধক আমাৰ আচৰণ | ৩৩ |
| নিৰ্বাচন ২০১৯ | ৩৪ |
| অচেনা অজানা একজন | ৩৬ |
| ত্ৰিগুণাতীত ভগবান শ্ৰীকৃষ্ণ | ৩৮ |
| প্ৰিয়তমা | ৩৯ |
| নাহো আকৌ | ৪১ |
| শেষ প্ৰান্ত | ৪২ |
| দয়া কৰা | ৪৩ |

| | |
|---|---|
| Indian Child | ৪৪ |
| Death | ৪৫ |
| How we can live | ৪৬ |
| Excuse Me | ৪৭ |
| Bikram-2 | ৪৮ |
| A view to  Teachers | ৫০ |
| Retirement | ৫১ |
| Kapil Avatar | ৫৩ |
| Corona, a guide | ৫৭ |

# ভাৰতীয় আমি গৰ্বিত

আমি ভাৰতীয়, গৰ্বিত
ভাৰতৰ সন্তান আমি,
মাতৃভূমি আমাৰ ভাৰতভূমি।
শস্য শ্যামলা, চিৰ সেউজীয়া এই তৃণভূমি।
মৰম সনা কোমল হৃদয় তোমাৰ
পৰিপুষ্ট হৈছো জন্মৰ পিছত
সুঠাম বুকুত দুগ্ধ পান কৰি
মূৰ দোৱাই জীৱনৰ
অতি মূল্যবান ক্ষণ।
আনন্দ উলাহেৰে অতিবাহিত
কৰিছোঁ জীৱন আমাৰ।
হে মাতা, সন্তান
আমি তোমাৰ।
আহে যদি কোনো ঝঞ্ঝাট
মাতৃসুলভ স্নেহ লৈ
বহি থাকিবা।
আপোন মনে উলাই কৰিবা
দেহত এটোপাল তেজ থকালৈকে
যুঁজিব তোমাৰ এই সন্তান।
ৰক্ষা কৰিব
তোমাৰ সন্মান।
বিশ্বস্তৰত শীৰ্ষ আসনত বহুৱাই
উজলাই তুলিব
তোমাৰ নাম। ■

## অন্তৰায়

মানুহ আমি সকলোৰে সমান
নাই ভেদা ভেদ।
বালিৰ মৰুভূমিখনৰ কণ কণ
বালিকণা আমি ;
একে জনৰ সৃষ্টি।
মানুহ আমি সকলোৰে সমান
একে আত্মাৰ অণু-পৰমাণু
মানৱ জাতি আমি।
অসাৰ পাৰ্থিব জগতত ৰচনা কৰা
সদায় ৰঙীন সপোন
দুদিনৰ ভাওৰীয়া হৈ
বনাও বালিৰ ঘৰ।
প্ৰাণৰ মৰম পাহৰি
শান্তিৰ নামত অশান্তি সদায়
কৰি থাকো হাহাকাৰ।
মানৱৰূপী দানৱ আমি
ৰাঙলি আজি মাতৃভূমিৰ বুকু
মানুহৰ ৰঙা তেজেৰে।
অবুজ প্ৰাণ আমাৰ লাঞ্ছিত
আৰ্তনাদ কৰিছে ভালপোৱাৰ পিয়াঁহত।
মানুহ আমি সমমৰ্য্যদাৰ অধিকাৰী
শান্তি সম্প্ৰীতিৰ পিয়াতুৰ আত্মা,
বুকুত বান্ধি লৈ সাঁতুৰিছো
ৰঙা পানীৰে ভৰা গভীৰ সাগৰত।
কলংকিত কৰি চিৰদিনৰ বাবে
পঠাই দিছো নিষ্পাপ মানৱ হৃদয়ক
নৰক যন্ত্ৰণাৰ কলা নদীত।
মানুহ আমি সকলো সমান
একে পিতাৰ সৃষ্টি
নাই অন্তৰায়।

৩

# নাহিবা তুমি

তুমি মোৰ আগত নাহিবা,
হিয়াত মোৰ দুঃখ লাগে।
তোমাৰ মুখৰ হাঁহি
তীক্ষ্ণ কাঁৰ হৈ
মোৰ বুকুত বিন্ধে।
পুৰি ছাই হৈ যায়
সকলো পৰিকল্পনা মোৰ।
তোমাক চালে
নাথাকে চকুলো।
শুকাই যায় প্ৰশান্ত মহাসাগৰ
হৃদয়ত কেৱল হুমুনিয়াহ।
কথা নকবা
তুমি মোৰ লগত।
সুখ গুচি যায়
দুঃখৰ তীব্ৰ বেগত, ফাঁটি যায়
হিয়া মোৰ।
দূৰলৈ গুচি যোৱা
থাকিবলৈ দিয়া মোক
শান্তিৰ পথ বিচাৰি।
নাহিবা আগুৱাই,
তোমাক দেখা মাত্ৰ
বুকু মোৰ ভৰি যায়
অতীত স্মৃতিৰ কলা ছাঁৰে।
পাহৰি যোৱা অতীত মিলনৰ স্বপ্ন,
তোমাৰ আৱিৰ্ভাৱে যন্ত্ৰণা দিয়ে।
বিদায় লোৱা তুমি মোৰ পৰা
গুচি যোৱা তোমাৰ ঠাইত।
নিৰাশাৰ প্ৰতিচ্ছবি
নানিবা মোৰ আগত।
জীয়াই থাকিবলৈ দিয়া
শান্তি পাবলৈ দিয়া
মোৰ সুন্দৰ জীৱনত
আৰ্তনাদৰ কোলাহল
লৈ নাহিবা।

4

## ভগ্নী তুমি

কিয় আহিলা, তুমি কোন ?
চিনাকি চিনাকি লাগে,
অথচ চিনি নাপাওঁ।
অ' বাৰু এতিয়াহে চিনি পালোঁ।
তুমি আছিলা মোৰ অতীত জীৱনত
আশাৰ বেশ লৈ অহা
সুপ্ৰভাতৰ এটোপাল নিয়ঁৰ।
ৰাতিপুৱা সূৰ্য্যৰ কিৰণত
যাক চাই মই ৰচিছিলোঁ
বহুতো স্বপন,
বিধ্বংসী নিৰাশা হৈ গুচি গ'ল
হিয়াৰ মোৰ সকলো মৰম।
ৰাখি গলা মাথোন
হতাশা আৰু হুমনিয়াঁহ।
তুমিয়ে নেকি সেইজনী পূৰ্ণিমা ৰাতিৰ জোন?
যাৰ প্ৰেমৰ পৰশ পাই
কলঙ্কিত হ'ল
মোৰ দুৰ্লভ মানৱ জীৱন।
মৰুভূমি হ'ল মোৰ হৃদয়,
শুকাই গ'ল চকুপানী।
দেখিছা ;
মই আজি দেখিও নেদেখা
অন্ধ মই, লক্ষ্যভ্ৰষ্ট পথিক।
মোলৈ কিয় আহিছা ?
অ' বুজিছো, তোমাৰ ইচ্ছা পূৰণ হোৱা নাই।
তোমাৰ প্ৰতিশোধৰ আশা
এতিয়াও সজীৱ আৰু সৱল।
দুৰ্বলতাৰ সুযোগলৈ
ভালপোৱাৰ ছলেৰে
কাঢ়ি ল'লা মোৰ অন্তৰৰ মণি।
তথাপি তোমাৰ ইচ্ছা পূৰণ হোৱা নাই।

৫

আজি আকৌ আহিছা;
তোমাৰ প্ৰেমৰ এনাজৰীত বান্ধখোৱা
কোমল মনৰ আঁৰত লুকাই থকা
ভালপোৱাৰ অণু পৰমাণুবোৰ
ধ্বংস কৰিবলৈ।
নোৱাৰিবা।
আজি মোক ভালপোৱাৰ ৰচিৰে বান্ধিব।
নোৱাৰিবা।
মোৰ হিয়াত হানিব প্ৰেমৰ কাঁৰ।
কঠিন হিয়া মোৰ, পাহৰি গৈছে
ভালপোৱা আৰু মৰম।
অন্ধ আজি, চকু মোৰ,
ৰূপৰ প্ৰতি।
কোমল হৃদয় মোৰ বেষ্টিত
এতিয়া ঘৃণাৰ সেনাবাহিনীৰে।
মৰম, স্নেহ, ভালপোৱা
নিৰপেক্ষ মোৰ হিয়াত।
বিচৰা যদি ভালপোৱা, আকৌ এবাৰ
ভনী বুলি মাতিলো তোমাক।

# মই আজি মৰুভূমি

আজি হে জানিব পাৰিলোঁ,
মই কোন ?
আজি মই অচিনাকি।
বিংশ শতিকাৰ জটিল সমাজৰ
এটি অবহেলিত দুৰৰি-বন মই।

মাটিত পৰি থকা ঘাঁহ মই।
কুণ্ঠাবোধ নকৰোঁ গচকি যাবলৈ।

নিমাত হৈ সহ্য কৰোঁ
নীৰৱ দৃষ্টিৰে চাই থাকো।
ভালপোৱাৰ অপেক্ষাৰে জীয়াই থকা
মই এটি কোমল প্ৰাণ।

অন্তৰত মোৰ অসীম মৰম, স্নেহ
ভালপোৱাৰ মহাসাগৰ।

প্ৰেমৰ অমৃতত মুগ্ধ হৈ
শান্তিৰ জীৱন বিচাৰি থকা,
মহাকাশৰ পৰা নামি অহা
এটি উল্কা।
মই আজি মৰুভূমি।
অবহেলা আৰু অবজ্ঞাৰ পদধূলি পৰি
বালি গৰম হৈ অগ্নিস্ফুলিংগ হৈছে।
মই এটি কাষ্ঠ প্ৰাণ
হৃদয় মোৰ বেষ্টিত
ঘৃণাৰ দুৰ্গন্ধময় ধোঁৱাৰে।

মই আজি সুগন্ধি গোলাপ
ৰঙীন পাহিৰ আঁৰত
লুকাই থকা সৰু পোক।

সুগন্ধত মুগ্ধ হৈ আপোন কৰি লোৱা
অন্তৰত ঢালি দিও মই মহাবিষ।

আজি মই বেলেগ,
নীৰস উজ্জ্বল ৰঙা শিমলু ফুলৰ
সৌন্দৰ্য্য চালে ঘৃণা হয় মোৰ।

# উদাৰপন

অহা আগুৱাই ডেকা-গাভৰুৰ দল,
অহা আগুৱাই ন-জোৱান।
হাতে হাত মিলাই এক সুৰে
গাওঁ আমি শান্তি-সম্প্ৰীতিৰ গান।
পৰিত্যাগ কৰো মাৰণাস্ত্ৰ,
বৰ্জন কৰো ৰাজনীতিৰ কুটিলতা,
ভ্ৰাতৃত্বৰ বন্ধনেৰে একলগত হৈ
কৰো সকলোক্তে উদাৰ পণ।
মানুহ আমি জীৱ শ্ৰেষ্ঠ
নাই ভেদাভেদ,
মানুহ আমি এক দেৱৰ সৃষ্টি
নাই হিংসা বিদ্বেষ ।
মানুহ আমি সকলোৰে সমান
এই হ'ব আমাৰ পণ।
অহা আগুৱাই
শান্তিৰ ধ্বজা উৰাই
নীলা আকাশত
আগুৱাই যাও ঐক্যবদ্ধ হৈ
প্ৰগতিৰ পথত।

# পথিক

দুৰন্ত পথিক মই
শান্তিৰ কামনাৰে
যাযাবৰ মই।
দিক্ বিদিক্ ঘূৰি
পালোঁ মাথোন
দুঃখ বেদনাৰে ভৰা
এই মানৱ জীৱন।
আনন্দময় হৈ উঠিব
সহিব পাৰিলে
ইয়াৰ ওজন।

# প্ৰগতি

হে মা প্ৰগতি
তুমি সৰস্বতী তুমি বাগ্মী
তুমি মা বীণাপাণি।
তুমি সূৰ্য্য, তুমি হিমালয়,
অচল, অটল তোমাৰ হৃদয়।
কৰ্মই ধৰ্ম তোমাৰ
অন্ধকাৰ প্ৰকৃতিৰ বুকুখন
উজলাই তুলিবা তুমি।
তাৰে পণ লৈ
প্ৰতিজ্ঞাবদ্ধ আজি।
জ্ঞানৰ পোহৰ বিলাই
অজ্ঞানতাক কৰিছা দূৰ।
দানৱ ৰূপী মানৱক
জ্ঞানী গুণী কৰি জগতৰ মাজত
প্ৰতিষ্ঠা কৰাৰ সপোন আছে
বুকুত তোমাৰ।
তুমি মা দুৰ্গা দশ প্ৰহৰণ ধাৰিণী
জ্ঞানৰ ভাণ্ডাৰ আমাৰ
শক্তিশালী হৈ উঠে
তোমাৰ পৰশত।
শান্তিৰ প্ৰতীক তুমি
মূৰ্খতাৰ বিদায়ী,
তোমাৰ আশ্ৰয়ত
জ্ঞানেৰে পূৰ্ণ হয় হৃদয় আমাৰ
আগবাঢ়ি যায় মানৱ প্ৰেমৰ দিশত।

# নিজৰ বুলি একো নাই

দুঃখ যন্ত্ৰণাৰে পৰিপূৰ্ণ
এই জগৎখন,
আশা-প্ৰত্যাশা, কামনা-বাসনাৰে
আমাৰ এই মানৱ জীৱন।
খোৱা-কামোৱা কৰি থাকো
গোটেই দিন জুৰি,
অন্যায় কৰিবলৈ কুণ্ঠাবোধ নকৰোঁ ।
স্বাৰ্থপৰ আমি।
পাহৰি যাওঁ আমি
অহা-যোৱাৰ
হিচাব ৰাখিব নোৱাৰোঁ।
ক'ৰ পৰা আহিছো
ক'লৈ যাও
কোনো তৎ নাই আমাৰ।
যোৱাৰ সময়ত পাহৰণিৰ গৰাহত
ইটো  আমাৰ, সিটো আমাৰ
মনত নাথাকে একো।
সকলো থৈ যাত্ৰা কৰোঁ
সিপাৰলৈ
নিৰুপায়, এই মানৱ জীৱন।
ইমান দিনে লজ্জা নিবাৰণ কৰা
কাপোৰখিনিও
পিন্ধিবলৈ পাঁহৰি যাওঁ।
নিজৰ বুলি একো নাই
তেতিয়াহে মনত পৰে,
যেতিয়া এই প্ৰাণ ময়ূৰী
উৰি যায় মুক্ত আকাশৰ নীলিমালৈ।■

# বিশ্বাস অবিশ্বাস

সাগৰ পাৰত বালিৰ মাজত
এক খুটাৰ ওপৰত
জিৰণী ঘৰ এটা সাঁজিছো।
আটকধুনীয়াকৈ সজাঁইছো;
বৰ আৰামদায়ক এই ঘৰটো
বেৰ নাই, বাঁহ আৰু খেৰেৰে সঁজা।
সদায় বহো তাত,
ৰাতিপুৱা, আবেলি আৰু সন্ধিয়া,
অভ্যাসত পৰিণত, কিয়নো
এই ঘৰটো মোৰ বাবে
প্ৰাণ আৰু হিয়া।
ইয়াত বহি ৰচনা কৰো মই
জীৱনৰ ভৱিষ্যৎ সপোন।
ভৱিষ্যৎ সপোন-নাওত উঠি
অতিবাহিত কৰো বৰ্তমান জীৱন।
নীৰৱে, অকলসৰে একাগ্ৰচিত্তে
চাই থাকো যেতিয়া
সাগৰ ঢৌৰ গতি, অগ্ৰগতি
উজলি উঠে হিয়া মোৰ
নতুন সুখৰ সন্ধান বিচাৰি।
নয় জুলাই সোমবাৰ ৰাতিপুৱা
প্ৰায় ৮-১৫ দিনৰ বজাত
দক্ষিণবাহী ক'লা এটুকুৰা মেঘে
উত্তৰফালে প্ৰচণ্ড গতিৰে
ধুমুহাৰ বেগত আহি
মোৰ প্ৰাণতকৈ অতি মৰমৰ
বিশ্ৰাম ঘৰটো উঠাই লৈ গ'ল।
মই উপায়ন্তৰ, নিৰ্বাক মই,
নীৰৱ দৰ্শক হৈ
একেথিৰে চাই থাকিলো।
সামান্যতম চেষ্টা, ৰক্ষা কৰাৰ বাবে

সম্ভৱ হৈ নুঠিল।
বিধ্বংসী দক্ষিণবাহী
ক'লা মেঘৰ খণ্ডটোৱে
মোৰ জীৱনটোক কৰিলে অন্ধকাৰময়।
যেন মই অন্ধ, চকু থাকিও দেখিব নোৱাৰো।
বিধ্বংসী ক'লামেঘৰ আচ্ছন্নতাই
মোৰ জীৱনৰ সোণালী সপোনবোৰ
কয়লা যেন ক'লা হৈ গল।
অসীম আশাৰ ৰঙীণ সপোনৰ
ফুলৰ মালাৰে সজ্জিত জীৱনটোৰ
অতিকৈ মৰমৰ বিশ্ৰাম ঘৰটোৰ
অকাল নিদ্ৰাই মোৰ হিয়াখনক
থানবান কৰি পেলালে।
জীৱনযুদ্ধৰ গতি ওলটা হৈ গ'ল,
বিশ্বাস অবিশ্বাস হ'ল
অবিশ্বাস বিশ্বাস যেন লাগে,
বাস্তৱ জীৱন মাথোন এক মৰীচিকা। ■

# বাণী

ভিখারী অর্থ পেলে
সব করতে পারে
এমন কি আপনজনকেও
ভুলে যায়। ■

# নিষ্ফল স্বপ্ন

নিষ্কলঙ্ক নিষ্পাপ ফুলটি
কেন ছিড়ে নিলে ভাই?
কতই না আশা নিয়ে,
কতই না স্বপ্ন নিয়ে
এসেছে সে।
অনেক দিনের রঙ বেরঙের স্বপ্নগুলো
বাস্তবায়িত করার স্বপ্ন নিয়ে
আগামীদিনে সুন্দর একটি ভাললাগার
পূর্ণাঙ্গ ফুল হয়ে
জনসমাজে সবার মুখে
হাসি ফোটানোর কতই না ইচ্ছা
বুকের গভীরে বাঁধা ছিল তার।
দেবতার চরণে পুষ্পাঞ্জলি হয়ে ওঠার
দুর্নিবার ইচ্ছা যে
ভেঙে চুরমার হয়ে গেল,
যখন হঠাৎ বাতাসের বেগে
তুমি এসে
কলিটাকে ছিটকে ফেলে দিলে।
অবুজ মনের নিষ্পাপ আনন্দময়ী সে
তৎক্ষণাৎ জড়কাষ্ঠ হয়ে পরে রইল।
কত যে আশা, ব্যথায় ভরা
অপূর্ণ হয়ে রইল।
কত যে ব্যথা, কত যে আশা পূর্ণ না হওয়ার!
বুকে পাথর চাপা দিয়ে
চলে গেল সামনে থেকে
নয়ন জলে ঝরনা হয়ে
রইলাম দাঁড়িয়ে আমরা
পারিনি তাকে রাখতে।

# নিয়তি

নিয়তির কি খেলা।
নিমেষে আচমকা এসে
প্রাণের চেয়েও বেশি
ভালবাসা আমার,
কেড়ে নিয়ে গেল,
আমি হতবাক হয়ে
দাঁড়িয়ে রইলাম।
নিষ্ঠুর নিয়তি আমাকে
একটি মুহুর্তও দিল না
যে চেষ্টা করে তাকে আটকাব।
অন্তরটা আমার ফাঁকা হয়ে গেল।
আলোর মাঝখানে দাঁড়িয়ে,
তবু চোখে কিছুই দেখতে পারছি না,
চোখ দুটো দিয়ে
নীরবে, নিঃশব্দে
জলের ঝরনা বইছে।
এখন আমার মনে
একটাই ভাবনা।
আমি বড় অপরাধী
সঙ্গী থেকেও, নিঃসঙ্গ হয়ে গেলাম
কেন? কেন? কেন?
কী অপরাধ আমার!

# অপূৰ্ণ হেপাঁহ

ঘৰৰ সন্মুখত বাগিছাখন
ফুল আৰু ফুলৰ বালিৰে
অতি বিতোপন, সুগন্ধময়
চাৰিও দিশ যেন.
আনন্দময় উল্লাসৰ সজলধাৰা।
ৰাতিৰ মাজভাগত গোপনে আহি
এজাক পচোৱা বতাহে, নিষ্ঠুৰভাৱে
মোৰ অতি প্ৰিয়, প্ৰাণতকৈ আপোন
গোলাপৰ লাল কলিটো
উটুৱাই লৈ গ'ল।
নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰি
পূবৰ পাহাৰীয়া শিলত
মূৰ থেকেচা খাই
মৰণ যন্ত্ৰণাত ছটফটাই থাকিল।
নিতৌ এই বাগিছাখনত
হেজাৰ হেজাৰ ৰঙ বিৰঙৰ
ফুল ফুলিছে, হেলিছে, দুলিছে।
কিন্তু ...
মধুময় এই বাগিছাখনৰ
দুৱাৰ পদূলিত থিয় হলেই
গাখন শিয়ঁৰি উঠে
নাই, নাই, নাই ...
নাই ভাৱনাই মোৰ অন্তৰৰ পৰা
শত সহস্ৰ আনন্দৰ সোৱাদ
মাটিত বাগৰি পেলাই দিছে।
গহীন এন্ধাৰৰ ভঁৰাল
হিয়াখন মোৰ
পাহৰি গৈছে,
বাস্তৱ জগতৰ সকলো প্ৰতিচ্ছবি।
ৰৈ থাকিল হিয়াখনত মোৰ
কেৱল অপূৰ্ণ হেপাঁহ
ভাগি যোৱা হিয়াখনত মোৰ
নাই শব্দটো এতিয়া বিৰাজমান। ■

# নিষ্ঠুৰ বাস্তৱ

বাস্তৱ নিষ্ঠুৰ
আবেগ অনুভূতিৰ
একো স্থান নাই।
জনম জনমৰ কৰ্মফল,
হিচাব নিকাচৰ ভিত্তিত
ব্যৱহৃত আমি।
কাঠৰ পুতলা আমি
লৰচৰ  কৰিব নোৱাৰো।
লৰালে লৰো,
নহলে স্থিৰ আমি,
নিৰ্জীৱ পাথৰ।
সপোন অসাড়।
যেনেকৈ নসজাঁও কিয়,
যিমানে যতন কৰি
নাৰাখোঁ কিয়,
এদিন ই ভাঙি
টুকুৰা টুকুৰ হৈ যাব।
থাকিব মাথোন হিয়াখনিত
দুঃখ বেদনা আৰু হুমুনিয়াঁহ।

## নিঃসঙ্গ

ঠিক সূর্যোদয়ের এক ঘণ্টা পর
সমুদ্রের তীরে আনন্দমনে
দাঁড়িয়ে আছি।
একমনে, একাগ্রচিত্তে
স্বপ্নের সাগরে ভেসে যাচ্ছি
হাতে আমার একটি
গোলাপ ফুলের কুঁড়ি।
এটি আমার চিরসঙ্গী।
সকালবেলার আলোয়
কুঁড়িটি এমন অবস্থায় এলো
যেন ফুটে উঠবে এখনই।
পরিস্ফুট, সুঠাম, নীরোগ, তেজস্বী
কুঁড়িটি আর এক ধাপ
এগিয়ে যাওয়ার ক্ষণে,
মনটা আমার রঙীন হয়ে উঠল।
মন আমার এতো আনন্দিত হলো
একটার পর একটা স্বপ্নের মালা
হৃদয়ের ভেতরে গেঁথে রাখলাম।
ভাবনা একটাই,
শুধু যে সময়ের অপেক্ষা,
এত সুন্দর করে স্বপ্নগুলো
একটার পর একটা বাস্তাবায়িত করব
চিরস্মরণীয় স্বপ্নগুলো স্মৃতি হয়ে রইবে। ■

# আশার তরী

কি দুঃখের গহীন সাগরে
ডুবিয়ে দিলে তোমার জীবন তরী
ওগো প্রিয়তমা আমার।
আমি যে দাঁড়িয়ে আছি
সাগর পারে
এক বুক ব্যথা নিয়ে
তোমায় আবার একবার
আমার হৃদয় মাঝে
বসিয়ে প্রাণ ভরে
ভালবাসব বলে।
সুখে দুঃখে ভরা
এই বাস্তব জীবন
দুঃখ না হয় পেয়েছ,
আশার ঝলকে
নিরাশার অন্ধকার পেয়েছ ,
তোমার জীবন সফরে
তাতে কি জীবনের শেষ ?
বিশাল এই ব্রহ্মাণ্ড
পাওয়া না পাওয়ার
মিলন ক্ষেত্র।
অনেক গেলেও অনেক রয়ে যায়
না পেলেও অনেক পাওয়া যায়
না পাওয়ার অন্তরালে
অনেক বড় পাওয়া অপেক্ষায় থাকে।
বিচক্ষণতার অভাবে, পিছনে না তাকিয়ে
দুষ্প্রাপ্য জীবন তরী
ডুবিয়ে দিলে এমন ভাবে
শত সহস্র চেষ্টা করেও
পারব না আর ভালবাসতে তোমাকে।
একবারও ভাবলে না যে
তোমার চাওয়ার পিছনে

আরো অনেক বড় চাওয়া আছে।
তোমার সামান্য ব্যথায়
নষ্ট হয়ে যাওয়া ভালবাসাটা
কতই না যে দুঃখ বেদনায়
হাহাকার করবে।
কেন ভাবলে না?
আশা নিরাশার মিলনে
জীবন যুদ্ধে
মহাসুখ লুকিয়ে আছে।
কেন ভাবলে না?
ব্যথার আড়ালে অনেক অনেক পাওয়া
থাকে।
ব্যথাহীন জীবন যে ব্যর্থ
ওগো প্রিয়তমা!

## জীৱন

জীৱন এটা যুদ্ধ
জয়-পৰাজয়
দুয়ো মিলি এই জীৱন।
সংঘৰ্ষৰ মুখামুখী, আমি
প্ৰতিটো ক্ষণত।
সময়ৰ কুটিল আক্ৰমণত
হ'ব পাৰোঁ পৰাজিত.
পৰাজয়ৰ গহীন গহ্বৰত
লুকাই থাকে বিজয়।
বিবেক, বুদ্ধিৰে ধৈৰ্য্য ধৰিলে
বিজয় অনিবাৰ্য্য।
ভৱিষ্যৎ জীৱনটো হ'ব
সুখময়।

# সংসাৰ জীৱন

জটিল সংসাৰ সাগৰত
যন্ত্ৰণাত কক্ বকাই থকা
আমাৰ অতি নগণ্য
জীৱনটোৱে ৰহস্যৰ এন্ধাৰত
সদায় হাঁহাকাৰ কৰে
এটোপাল সুখ বিচাৰি।
আমাৰ আমাৰ বুলি
অনিত্য বিষয় বাসনাত
মগ্ন হৈ, পাঁহৰি যাওঁ
নিত্য, পৰমানন্দ স্বৰূপ
পৰম পিতা ঈশ্বৰৰ নাম।
পিতা-মাতা, সতি-সন্ততি
সকলোকে আপোন বুলি
সুখৰ সন্ধানত আচ্যৰন্ত,
ধনী ব্যক্তি হৈ, অহংকাৰৰ
ক'লা ডাৱৰত আবৃত আমি।
শাওণ মাহৰ ক'লা ডাৱৰৰ আঁৰত
লুকাই থকা বজ্ৰপাতে
যেতিয়া কপাঁই তোলে
নিদ্ৰামগ্ন হিয়াখন মোৰ।
চেতনা আহে তেতিয়া,
আপোন বুলি ভাবনা আমাৰ
অনিত্য, অসাৰ।
বিষয়বস্তু, আত্মীয়-স্বজন
আপোন নহয়, সকলো পৰ,
ক্ষণিকৰ বাবে লগত থাকে।
গুছি যোৱাৰ সময় হলে
বিদায় লোৱাৰ সময় নহয়।
আপোন বুলি দৌৰি থাকো
যাৰ বাৰে গোটেই জীৱন
বিনিময়ত দি যায়
কেৱল দুঃখ বেদনা, যন্ত্ৰণা
এটোপাল অশ্ৰু আৰু হতাশা।

## সময়

সময়ৰ ৰছীৰে বান্ধ খোৱা
আমাৰ এই জীৱন তৰী।
সময় সাগৰৰ গহীন তলৰ পৰা
উভতি অহাৰ থল নাই।
আমাৰ বুলি গৰ্বিত আমি
মনুষ্য জাতি অতি দুৰ্বল,
সময়ৰ প্ৰত্যাহ্বানত।
প্ৰকাশ্যে, গোপনে আমাৰ, আমাৰ বুলি
যিমানেই অহংকাৰ নকৰো কিয়,
ভাঙি ছিঙি বিলীন হ'ব,
সকলো বিলীন হ'ব,
সময়ৰ সোঁতত।
মই ডাঙৰ, তুমি সৰু,
মই অভিজাত, তুমি নীচ,
মই সৱল, তুমি দুৰ্বল,
ভাবনাৰ সকলো গৰ্ব
নিঃশেষ হৈ যাব
সময়ৰ বিজয় ঘণ্টা
যেতিয়া বাজিব।
জীয়াই  থকাৰ আশা
চ'ত মাহৰ তীব্ৰ বেগী ধুমুহাই
নীৰৱ নিস্তব্ধ ৰাতি মনে মনে আহি
গোটেই জীৱনৰ অক্লান্ত পৰিশ্ৰমৰ স্তূপটো
নিমিষতে ভাঙি চূৰমাৰ কৰিলে।
হিয়াখন, বেদনাৰ ক'লা মেঘেৰে আৱৰি গ'ল।
জীয়াই থকাৰ আশা, নিৰাশাত পৰিণত হ'ল।
ইমান দিনে বহু কষ্টেৰে সাঁচি থোৱা
সুখ, শান্তি আনন্দ
ৰাতিৰ এন্ধাৰত, অনন্ত গভীৰত সমাধিস্থ হ'ল।
আৰু নতুনকৈ জীয়াই থকাৰ আশা
নাইকিয়া হ'ল।
মনত মাথোন এটায় চিন্তা

হে ঈশ্বৰ, কী পাপত পাপী মই?
মুক্তি দিয়া।
ডাঠ এন্ধাৰেৰে আচ্ছন্ন সন্মুখ মোৰ।
এন্ধাৰৰ মাজত অলপো পোহৰৰ জিলিকনি
যদি থাকিলেহেতেন,
যিমানেই কাইটিয়া নহওঁক
মোৰ জীৱন বাট,
খোজ কাঢ়ি হলেও
শেষ প্ৰান্তত গৈ
পদাৰ্পণ কৰিলোঁহেতেন।
সম্পূৰ্ণৰূপে আবদ্ধ মোৰ জীৱন দুৱাৰ!
পাৰ কৰাৰ ক্ষমতা মোৰ হেৰাইছে।
শেষ নিবেদন যাচিছোঁ তোমাক
সামান্যতম কৃপাৰে
পাৰা যদি, খুলি দিয়া
বেদনাৰ ৰছীডাল।
যেন মই,
সকলো পাহৰি, আগৰ দৰে
জীয়াই থাকিব পাৰো। ■

২৬

## সুখে থেকো

যেখানেই থাকো সুখে থাকো
এই নিবেদন আমার।
জানি না, কী ভুলে আমার
এত বড় শাস্তি।
ভালো থেকো, শান্তিতে থেকো
এই আমার মিনতি।

সদয় যদি হয়
হৃদয় তোমার
করিও গো কৃপা
হবে না অসাড়।
নিরাশার পথে
তোমার জীবনে
প্রজ্জ্বলিত হোক
অতীত স্বপন।
একটু আলো দাও
হে ঈশ্বর কী পাপে
পাপী আমি?
কী অপরাধে
অপরাধী আমি ?
কী অপরাধে আমার
এত বড় শাস্তি,
জানতে পারি কি?
অজ্ঞানতার অন্ধকারে
আচ্ছন্ন আমার চারিদিক,
স্বপ্ন হয়ে গেল আমার
সকল আশা-আকাঙ্ক্ষা।
চন্দ্র, সূর্য আগেও ছিল,
এখনো আছে।
আগেও আলো দিত,
এখনও দেয়।
তবু কেন আমি দেখতে পারি না?

করজোড়ে করি নিবেদন,
একটু আলো দাও,
যে আলোয় আমি
দেখতে পারব নিজের কর্মফল।
যে আলোকে আমি
আলোকিত হয়ে
বুঝতে পারব আমি
কী পাপের পাপী
এই জীবন!

# একবিংশ শতাব্দীৰ কুটিলতা

১। জীৱ শ্ৰেষ্ঠ মানৱ আমি
একবিংশ শতিকাত সভ্য বুলি
গৰ্বিত আমি।

২। বিজ্ঞান প্ৰযুক্তিৰ নিত্য নতুন আৱিষ্কাৰে
গঢ়ি তুলিছে মানুহৰ জীৱন বিলাসপ্ৰিয়।
অহংকাৰী হিয়া মানুহৰ!
কঠোৰ আৰু স্বাৰ্থপৰ হৈছে।

৩। উচ্চ-নীচ ভেদাভেদ
মানৱ সমাজৰ বিকৃতাৱস্থা
সৃষ্টিৰ কোমল মানৱ হিয়া
আজি অতি নিষ্ঠুৰ।

৪। একেজনৰ সৃষ্ট সন্তান আমি
আবদ্ধ নহওঁ ভালপোৱাৰ এনাজৰীত,
ব্যস্ত সদায়, সাব্যস্ত কৰিবলৈ
নিজকে ডাঙৰ বুলি।

৫। প্ৰতিযোগিতাৰ বজাৰ, পৃথিৱীখনে
ব্যস্ত কেৱল অৰ্থ উপাৰ্জনত।
বাধা প্ৰদানত কুণ্ঠাবোধ কৰা নাই
আন এজনৰ জীৱন ধাৰণত।

৬। উন্নতিৰ শিখৰত অবতীৰ্ণ বুলি
জয়ঢোল বজোৱা সভ্যতা
মানুহক মাৰিবলৈ, মাৰণাস্ত্ৰ তৈয়াৰত ব্যস্ত।

৭। প্ৰতিখন দেশৰ এটায় মাত্ৰ লক্ষ্য,
পদানত কৰি অইন দেশৰ মানুহক
নিজে বিশ্বৰ সৰ্বেসৰ্বা হোৱা।

৮। তীব্ৰবেগী অস্ত্ৰৰ অহংকাৰত অন্ধ
একবিংশ শতাব্দীৰ মানৱ সমাজ
অসভ্যতাৰ পৰিচয় দিছে।

৯। বিশুদ্ধ মানসিকতা হেৰুৱাই পেলোৱা
মানৱ সমাজ স্থাপন কৰিছে
বিশ্ব মানৱতা সংগঠন ।

১০। ক্ষিপ্ৰবেগী অস্ত্ৰ প্ৰতিযোগিতাই
বন্ধুত্বৰ নামত
শত্ৰুতা বৃদ্ধি কৰিছে।

১১। ৰাজনীতিৰ কুটিল চক্ৰই
শান্তিৰ বাণী প্ৰচাৰ কৰি
যন্ত্ৰণাৰ গৰ্ভত জনগণক
হাবাথুৰি খুৱাইছে।

১২। ভগবান কৃষ্ণই প্ৰচাৰ কৰা
উপদেশ বাণী
গীতাত সীমাবদ্ধ।

১৩। ৰাজনীতিবিদ, শাসক, প্ৰশাসকৰ লক্ষ্য এতিয়া
সুশাসন নহয়।,
ধন, সম্পত্তি, অট্টালিকাৰ মালিক হোৱা।

১৪। শিক্ষক আৰু শিক্ষক সমাজ
উদ্দেশ্য যাৰ মানুহ গঢ়া,
ব্যক্তিত্বহীনতা, অসৎ আচৰণ
সিহঁতৰ অলংকাৰ।

১৫। শিক্ষকতা যেন এটা বৃত্তি,
ভালদৰে খাই পিন্ধি বিলাসী জীৱন যাপন
আৰু অৰ্থ উপাৰ্জনৰ উপায়।

১৬। পিতা-মাতাই নিজৰ সন্তানক
অধিক উপাৰ্জনৰ ৰাস্তা দেখুৱায়,
সৎ, অসৎ তফাৎ নাই।

১৭। সংখ্যা অতি নগণ্য পিতা-মাতাৰ
সন্তানক পৰামৰ্শ দিয়াৰ
সৎ উপায়ে উপাৰ্জন কৰা।

১৮। নিজৰ সন্তান বুলি
ছাত্ৰ-ছাত্ৰীক শাসনৰ দ্বাৰা
শিকোৱা কাৰ্য্যৰ অন্ত পৰিল।

১৯। আতংকিত শিক্ষক সমাজ
ভয়ত পেপুৱা, বাট চাই থাকে
আহে নেকি কোনো মুৰব্বী
আপত্তি জনাবলৈ।

২০। দৰিদ্ৰতাত জৰ্জৰিত অনাহাৰত থকা
শিশু সকলোক স্বাক্ষৰ কৰাৰ বাৰে
চৰকাৰে ব্যৱস্থা কৰা মধ্যাহ্ন ভোজনলৈ
লোভিত শিক্ষক সকল।

২১। অৱহেলিত শিক্ষা কাৰ্য্য
চকু সদায় পিতৃ-মাতৃ তথা শিক্ষকৰ
মধ্যাহ্ন ভোজনলৈ।

২২। শিক্ষাকেন্দ্ৰ, স্কুলবোৰ ৰাজনীতিৰ দৰবাৰ
সদস্য হ'ব লাগে, ভাগত আহিব
মধ্যাহ্ন ভোজনৰ অধিক চাউল।

২৩। শিক্ষকৰ সন্মান স্কুল তথা সমাজত
দিনক দিনে অৱনমিত,
মধ্যাহ্ন ভোজনৰ খোৱা-কামোৰা।

২৪। গুণগত মান নিৰ্ণয়ৰ উদ্দেশ্যে
সেই হেতু চৰকাৰৰ যোজনা
হলগৈ ব্যৰ্থ, ভেকোভাওঁনা।

২৫। শিক্ষা বিভাগৰ খামখেয়ালী
আৰু অপৰিপক্ক পৰিকল্পনা
মূল্যায়নত ভাল গ্ৰেডৰ বিজয় ঢোল।

২৬। বিপদত পৰিলে ছাৰ সকলেও
নকল কৰিবলৈ শিকায়,
গুণোৎসৱ তাৰেই বীজ ৰোপণ কৰিছে।

২৭। গুৰু শিষ্যৰ মণিকাঞ্চন সংযোগ
লেখত লবলগীয়া শঙ্কৰ-মাধৱৰ
গল্পত সীমাবদ্ধ, বাস্তৱত নগণ্য,
দৈহিক কামনা বাসনা, যৌন সম্পৰ্ক,
ডেকা গাভৰুৰ দৈহিক সম্পৰ্কৰ বীজ
ৰোপিত গুৰু শিষ্যৰ ব্যৱহাৰত, কাৰ্য্যত।

২৮। প্লেটোৰ দৰে কৰ্তব্য পৰায়নতাই
এৰিষ্টটলৰ নিচিনা দাৰ্শনিকৰ প্ৰভাৱ
সমাজৰ সকলো দিশত আছে,
আজি ক'ত।

২৯। বিজ্ঞান ভিত্তিক শিক্ষা
নৈতিকতাৰ নীতি শিক্ষা
চৰিত্ৰ গঠনৰ মূল ভেটি
আজিৰ সমাজে অভাৱ অনুভৱ কৰিছে।

৩০। অধিক যান্ত্ৰিকতাৰ প্ৰভাৱে
মানুহৰ কোমল হৃদয়খন, নিষ্ঠুৰ কৰি
সমাজত বিশৃংখলতা আৰু অৰাজকতা আনিছে।

৩১। মানুহ স্বাৰ্থপৰ
অৰ্থৰ লোভত
আপোনজনক সহায়ৰ হাত আগবঢ়াবলৈ
কৃপণতা কৰিছে।

৩২। ৰাজনৈতিক ক্ষমতালিপ্সু
নিজকে সৎ, উপযুক্ত নেতৃত্ব
সাব্যস্ত কৰিবলৈ গৈ
সহজ, সৰল জনসাধাৰণক
মিছা প্ৰতিশ্ৰুতি দিছে।

৩৩। অশ্লীল, অকথ্য ভাষা
ইজনে সিজনক ব্যৱহাৰ কৰিছে
গালি শপনি পাৰিছে;
অসভ্যতাৰ সীমা চেৰাই গৈছে।

৩৪। মূঢ় জনসাধাৰণ
বিপথে পৰিচালিত হৈছে,
তত্ত্বহীন বৈ সামান্যতম দেশ
তথা ৰাজনৈতিক জ্ঞান নথকা
জনসাধাৰণে অৰ্থৰ লোভত
অনুপযুক্ত, নীচ লোকক নিৰ্বাচিত কৰিছে।

৩৫। স্বাৰ্থান্বেষী আৰু ভ্ৰষ্টাচাৰ নেতৃত্বই
দেশখনক বিপথে পৰিচালিত কৰিছে
গণতন্ত্ৰ, প্ৰজাতন্ত্ৰ আজি বিপন্ন।

৩৬। ধৰ্ম, অধৰ্মত দুই বিভেদকামী মতভেদ
দেশৰ মানুহক এন্ধাৰৰ
অতল গভীৰতাৰ ফালে ঠেলি দিছে।

৩৭। স্বাৰ্থান্বেষী নেতৃত্বৰ আচৰণে
মানুহক ভুল পথে পৰিচালিত কৰিছে
ভাল-বেয়াৰ পাৰ্থক্য বুজিব নোৱাৰা
শান্তিকামী, সৰল মানুহ সকলে
বিশৃংখলতাৰ পৰিবেশত
জীৱন নিৰ্বাহ কৰিছে। ■

## প্ৰশ্নবোধক আমাৰ আচৰণ

দুঃখ কষ্টৰে ভৰা, মায়াৰে আবদ্ধ
প্ৰকৃতিৰ সংসাৰখনত,
সুখৰ সন্ধানত হাবাথুৰি খাই
দিশাহাৰা আমাৰ জনম।
জৰা দেহৰ বন্ধনত, আবদ্ধ হৈ
দৈহিক সন্তুষ্টি প্ৰাপ্তিত
ব্যস্তময় জনমটো পাহৰি যায়
ধৰ্মাধৰ্মৰ পাৰ্থক্য।
অতি সাধাৰণ এটা ভাবনা
কিয় পাহৰি যাওঁ ?
একে জনৰ সৃষ্ট সকলো জীৱ
একেজনৰ সন্তান।
সুভাৱনাময় অন্তৰ্যামীৰ শৰণাগত
সকলো জীৱ,
বিশ্ব চৰাচৰ পাৰ্থিব জগতৰ
সকলো জীৱ।
বাহ্যিক সুখৰ খোৱা কামোৰাত
মগ্ন আমি,
শান্তি পাহৰি অশান্তি সৃষ্টি কৰা
উদ্দেশ্য নহয়।
মূল মন্ত্ৰ ধৰ্মৰ ঈশ্বৰ উপাসনা
মনোনিবেশ প্ৰয়োজন অতি
ধৰ্মৰ নামত বাহ্যিক আচৰণে
সৃষ্টি কৰিছে বিভেদ।
ধৰ্ম-অধৰ্মৰ পাৰ্থক্য নুবুজি
নিক্ষেপ কৰিছোঁ,
নিজৰ মনটোক দূৰ-দূৰান্তলৈ
বিৰত প্ৰাথমিক উদ্দেশ্যৰ পৰা। ■

# নিৰ্বাচন ২০১৯

২০১৯-ৰ নিৰ্বাচন বিৰোধীৰ আচৰণ
সন্মানহানি, অপশব্দ ব্যৱহাৰ
মাতৃভূমিৰ মৰ্য্যাদা, কেৰেপ নকৰি
দেশৰ পৰিচালকক কটূক্তি
হাঁহি, উপহাসৰ পাত্ৰ,
ভাৰতভূমি
বিদেশৰ আগত।
সংস্কাৰ বিৰোধী, কিমান যে শ্লোগান
কলঙ্কিত কৰিলে
সত্যনিষ্ঠা আৰু ধৰ্মৰ প্ৰতীক
ভাৰত ভূমিক।
চকীদাৰ চোৰ, মোদী চোৰ
মোদীক পদচ্যুত কৰিব লাগে;
মোদী হাটাও, দেশ বাচাওঁ
প্ৰশ্ন আৰু প্ৰশ্ন ৰাইজৰ আগত।
চকীদাৰ চোৰ, মোদী চোৰ
মোদী হাটাও, দেশ বাচাওঁ
প্ৰশ্ন বোৰ বিবেচনাধীন
জনসাধাৰণৰ আগত।
অকাৰণে বিৰোধীয়ে,
দেশভক্তিৰ বিৰুদ্ধে
হাঁহাকাৰ লগাইছে ;
চৰকাৰত আহি, স্বাৰ্থ সিদ্ধিৰ বাবে
ধনাঢ্যবান নিজে হবলৈ।
ভাৰতৰ জনসাধাৰণ, অতি বুধিয়ক
পাহৰা নাই সমালোচনা কৰিবলৈ
বিৰোধী আৰু চৰকাৰী পক্ষৰ
প্ৰশ্নবোৰ এটা এটাকৈ।
ভাৰতীয় জনগণ, পটু ৰাজনীতিত
এশিকা দিলে
ভৱিষ্যতে আকৌ নিৰ্বাচনত
মিথ্যাৰ আশ্ৰয় নলবলৈ।

বিৰোধী ৰাজনীতিবিদ সকলে
পাহৰিছে নিজৰ কৰ্তব্য কৰ্ম।
জনগণ বিতাৰিত, জানিব পৰা নাই
বিৰোধীৰ পৰা চৰকাৰৰ ভুল।
ৰাইজে নিজে সচেতন
চৰকাৰৰ কৰ্ম বোৰলৈ
২০১৯ চনৰ নিৰ্বাচনত সিদ্ধান্ত
ভাৰতীয় জনগণৰ,
কেৱল নিজৰ কৰ্তব্য পাহৰি যোৱা
অপশব্দ, অপসংস্কৃতিত ডুব যোৱা
বিৰোধী ৰাজনৈতিক দলৰ
নাই কোনো ভূমিকা।
বুধিয়ক ভাৰতীয় ৰাইজে
কুণ্ঠাবোধ কৰা নাই
সংস্কাৰহীন ৰাজনৈতিক দলৰ
বিৰোধীৰ ভূমিকা কাঢ়ি লবলৈ। ■

## অচেনা অজানা একজন

বাড়ির সামনের রাস্তায়
প্রাতঃকালে দৈনিক পায়ে হাঁটি
শরীর, মন, মস্তিস্ক আদি
সুস্থ রাখার জন্য।
রাস্তার দুইপাশে মানুষের বাড়ি,
ভোরবেলা, সূর্য্য উদয় অনেক বাকি,
রাস্তা সম্পূর্ণ ফাঁকা,
নিত্য নতুন দেখার কিছু নেই।
একা, আমি চলি সঙ্গী নেই,
যাই, আসি, গতি স্বাভাবিক
সময় প্রায় একঘণ্টা, প্রতিদিন।
অন্ধকারাছন্ন, অন্তর যে আমার
আলোকিত হয়,
যখন সবুজ রঙের ধরিত্রীমার মুখখানি
সূর্যের রশ্মিচ্ছটায় রঙিন হয়।
শরৎকাল , পূজা আসছে
মনে মানুষের নতুন উদ্বেগ
একটু একটু হাওয়া, মৃদু পরিবেশ
সামান্য একটু অন্ধকারাছন্ন চারপাশ
সূর্যোদয়ের অল্প দেরি।
কিছু দূর যাওয়ার পর রাস্তার বাঁপাশে
অচেনা, অজানা একজন দাঁড়িয়ে আছে,
তাঁকে দেখে থেমে পড়লাম।
অনুসন্ধিৎসু মন আমার
কিছু জানার ইচ্ছা হলো।
অচেনা লোকটির পাশে
কিছুসময় দাঁড়িয়ে রইলাম
কোনও সাড়া নেই।
আমি প্রশ্ন করলাম-
তুমি কে? তুমি কেন এখানে?
কোথা থেকে তুমি এসেছ এখানে?
কোথায় যাবে? কী পরিচয় তোমার?

কার সঙ্গে সম্বন্ধ তোমার।
এক নজর কিছুক্ষণ
আমার পানে তাকিয়ে রইল,
কোনও কথা না বলেই
চোখের পলকে, চলে গেল।
আমি স্তম্ভিত, হতভম্ভ
নীরবে তাকিয়ে রইলাম।
এতটুকু সময়ে হৃদয়ে আমার
একবুক ভালবাসা জেগে উঠেছিল
একটু সহানুভূতি, একটু দয়া নিয়ে
আপন হওয়ার চেষ্টা করেছিলাম।
মায়ার জালে প্রাণটি মোর
এমন ভাবে বন্ধন হলো,
সইতে পারলাম না তাঁহার
অনাকাঙ্ক্ষিত এবং উত্তরবিহীন অন্তর্ধান।
হৃদয় আমার ব্যথায় ভরে গেল,
দুই চোখ দিয়ে নীরবে
অশ্রুধারার প্রবল স্রোত
বইতে লাগিল। ■

# ত্রিগুণাতীত ভগবান শ্রীকৃষ্ণ

ত্রিগুণের এক গুণে প্রভাবিত
আমরা মানব জীব সকলেই,
সাত্ত্বিক, রাজসিক কিংবা তামসিক।
ত্রিগুণের উৎস ভগবান শ্রীকৃষ্ণ
প্রভাবিত নিজে কখনো নয়,
গুণত্রয়ের অধিকারী, পরিচয় তাহার।
নির্গুণ তিনি, জানিও সবাই
সমস্ত গুণের অতীত,
বিশেষ বৈশিষ্ট্য বলি যে তাই। ■

# প্রিয়তমা

প্রিয়া তুমি মোর ভালবাসা
তুমি মোর আত্মা
তুমি বিনা জীবন মোর
শুষ্ক মরুভূমি।
দিনগুলো অতিবাহিত মোর
বুকভরা হতাশা নিয়ে,
চাহিয়া আছি তোমার পানে
কখন আসিবে মোর পাশে।
এক ফোঁটা জল অন্তরে আমার,
যত্নে রাখিয়াছি ।
গভীর সমুদ্র হবে ভালবাসার,
তোমার পরশে।
প্রেম ভালবাসার নামে
যুদ্ধ হয়,
বয়ে যায় রক্তের স্রোত
তবু না হয় সফল।
বিনা যুদ্ধে তুমি
হবে আমার
পাশে বসিয়ে অপার সুখে
ভালবাসব তোমায়।
ভালবাসব তোমায়
ততদিন পর্য্যন্ত,
সূর্যের কিরণে যতদিন
ধরিত্রী হবে আলোকিত।
ধৃতরাষ্ট্রের  আকাঙ্ক্ষা
কুরুক্ষেত্র যুদ্ধের প্রারম্ভে
বলিল ধৃতরাষ্ট্র, সঞ্জয়কে-
বল সঞ্জয় ! কী ঘটিতেছে
কুরুক্ষেত্রে।
হতভাগা  পিতৃ আমি
অন্ধ হইয়া,
নাহি যে কোনও ক্ষমতা

দেখিবার লাগিয়া।
দিব্যচক্ষু প্রাপ্ত তোমার
ব্যাসদেবের আশীর্বাদে
কহ মোরে সম্পূর্ণ ঘটনা
পুত্রগণ মোর আছে কেমনে।
আকাঙ্ক্ষিত আমি দেখিবারে
জয় যাত্রা পুত্রগণের,
অশান্ত মোর হৃদয়
অপেক্ষারত তাহা পাইবারে।
হইওনা সঞ্জয়, কপট তুমি!
যাহা ঘটে বলো তাহা
অশান্ত পিতার হৃদয়
যেন শান্ত হয় হেথা। ■

# নাহো আকৌ

হে কৃষ্ণ, তুমি বিষ্ণু
তুমি মহেশ্বৰ,
তুমি পৰম ব্ৰহ্ম,
তুমি সৃষ্টি, তুমি আদি,
তুমি অনিত্য,
তুমি অনাদি।
হে কৃষ্ণ! তুমি স্ৰষ্টা
তুমি পালক,
তুমি নিয়ন্তা।
সৃষ্টি, স্থিতি, প্ৰলয়, যত
জড় জগতে হয়,
শুভ-অশুভ, কৰ্মাকৰ্ম
বৈকুণ্ঠধামৰ নহয়।
বিশ্বস্ৰষ্টা, বিশ্বদ্ৰষ্টা, জগৎপতি
তুমি ভগবান শ্ৰীকৃষ্ণ,
আত্মসমৰ্পণ কৰি নতশিৰে
প্ৰণাম তব চৰণত।
মোৰ বুলি নাভাবিলোঁ,
মোৰ বুলি নাৰাখিলোঁ,
কৰ্মফল ত্যাগ কৰিলোঁ,
প্ৰেম তব হৃদয়ে ৰাখিয়া।
নিয়ম নাজানো, নীতি নাজানো,
নাজানো তোমাৰ ভজন নীতি,
আপোন ভাষাৰে ভজিলোঁ তোমাক
বৈকণ্ঠ ধাম পাইবাৰ তৰে।
নিজ গুণে আপন কৰি
লইবা তুমি মোৰে
পুনৰবাৰ নাহো তোমাক এৰি
আকৌ এবাৰ জগৎলৈ। ■

# শেষ প্ৰান্ত

জীৱন সাগৰৰ শেষ প্ৰান্তত
যম দুৱাৰত বহি থকা
মই এজন যাযাবৰ।
সুখ-দুঃখ, বেদনাৰে পৰিপূৰ্ণ
পাৰাপাৰ বিহীন সংসাৰৰ
এক অঘৰী মই।
বৰ্তমানৰ চাকি টিপ টিপকৈ জ্বলিছে,
নুমাই যোৱা অতীতৰ চাকি
নিৰাশাৰ ভৱিষ্যৎ বুকুত বান্ধিলৈ
থৰক বৰককৈ আগবাঢ়িছে।
অতীত জীৱনৰ পাহৰণিৰ গৰাহত
বিলুপ্ত হৈ যোৱা প্ৰতিচ্ছবি
আশাৰ দৃশ্যপটত অস্পষ্ট হৈছে।
অবিৰাম গতিত নিঃশব্দে নীৰবে
দুই নয়নত অশ্ৰুধাৰা বোৱাইছে,
কেৱল দুঃখ বেদনা আৰু হতাশাৰ।
অতীত ভুলৰ পৰিণতিত
জীৱন মোৰ পদানত
মানৱ সমাজত।
দুৰ্ভোগে ভৰা, মাজ সাগৰত
হাবুডুবু খোৱা, জীৱনে মোৰ চাই
যমৰাজে কিৰিটি মাৰিছে। ■

# দয়া কৰা

(১)
হে প্ৰভু দয়াময়, দয়াৰ সাগৰ
আত্মাৰো আত্মা, পৰমাত্মা তুমি,
তুমি হৃষিকেশ, তুমি জনাৰ্দন,
অগতিৰ গতি, সকলোৰে নিয়ন্তা।

(২)
নিবেদন মোৰ তোমাৰ চৰণত
পাৰ কৰা অগ্নিগৰ্ভ যন্ত্ৰণাৰ সাগৰ,
মায়াৰ বান্ধোন ছিঙি মুক্ত কৰা
দুঃখেৰে ভৰা যে এই ভব-সংসাৰ।

(৩)
হে মধুসূদন, বাঞ্ছাকল্পতৰু,
স্থিতপ্ৰজ্ঞ
তুমি নিৰ্গুণ, গুণাতীত,
পৰমানন্দ,
পথ প্ৰদৰ্শক তুমি, জ্ঞানৰ চাকি জ্বলাই
অগ্নিদগ্ধ হৃদয় কৰা শান্ত।

(৪)
নিষ্কাম প্ৰাৰ্থনা তোমালৈ মোৰ
ঠাই দিয়া চৰণত তোমাৰ
নাহোঁ যেন দুঃখৰ সাগৰলৈ
ঘূৰি আকৌ এবাৰ।

# Indian Child

India, you are my motherland
I am Indian,
I am proud of you
You are our God.
You are god
of patience, of humanity,
of tolerance of power
And simplicity.
India, you are my motherland.
A pillar, as Himalaya
Standing in the midst
of the world,
Unable to harm you
130 crores, your child
Sweared for protection
Your dignity and strength. ■

# Death

Death! You are cruel,
you are bustard, criminal,
you are thief, you are dacoit,
Heartless life you have.
Death ! you have mind unhoneyed,
Think never and do
Nothing better for  others.
Waiting, and waiting
Waiting only taking away
the best of all
Laughed loudly but unseen
Seeing the heart, breaks
Into pieces.
Seeing the soul tinged with
Untolerable grief's
And grievances.
Unkind Death !
Be kind, peaceful
And solemn,
Then God will bless you. ■

৪৬

## How we can live

So hard to live is !
So hard the life is !
Every moment, it is in risk.

The road is not clean.
Full of danger.
Shakes and junks, unknown.
Patience, honesty believe in God
Makes life path smooth
Pain comes, but never harms
If life goes onwards
With truthfulness and tolerance.

# Excuse Me

Oh! God.
You are my father
You are my guide,
My director, my spirit ,
My super power.
Please lead me,
That, I live
A life of peace and harmony
Excuse me.
If any crime
Done by me
In my life.
Surrender myself in you
No claim, no demand
That perceive from you.
Only one request
Submit to you
That I can live
A life of happiness and tranquility.
If I done any wrong
Forget me
if I done any wrong.

# Bikram-2

After hard labour of thousand scientists
Of eleven years, in cost of huge money
Bikram-2, a satellite sent to moon.

The distance, earth to moon, about 3.84 Lac K.M.
In speed of 6 K.m. per second, starts journey,
Soft hearted Indians blessed,
That certainly give information
Of water in The Moon
Calculation decides
The arrival of Bikram-2
At 1-52 am. On 7th Sept.2019.
Awaked and Awaited
135 crores Indians that midnight
"Succeed" the word will be highly sounded
First, by the ISRO Chairman.
But what happened·
A demolishion come down
Hearing the sound of cry
Joy flee away from everywhere .

An attractive leadership
Vigorous, lovely, energetic, soft -hearted
Instead of analytical criticize
In laughing mood of the defects
Pacifies in a cool mind.
Says, "Look forward, don't think of the lost."
"But try for what not get before."
Again says "Be patient and wait."
A few hours passed over,
Though all the scientists in sorry mood,
Keeping patience, try and try,
Information comes,
Sent by orbit of Bikram-2,

৩৯

The campus filled with joy,
Feeling comes,
Success after heavy defects
Is more joyful. ■

# A view to Teachers

A Teachers an adviser, a society pillar
Rudder of society, guide and enlightening mood.
A soft-hearted and characteristic man.
Relation between student and teachers
Successfully exemplified.
That example Arjuna and Dronacharya.

Teacher, he is powerful,
Always gives, not asking for ;
Returns, of whose vital goal in life
" Learning and teaching."

A true teacher can be we,
The relation of teacher and student
As it is the relation of
Surrender to Him " Life and super Life"
Teacher's behaviourance
Every sides in every moment
Must be example for
Successful and progressive products.

Then what happen·
Why the question mark
Set in our mind.
Why the wanting felt
In relation among them,
It because of money matter.

# Retirement

The job retirement, a system
Govt. allotment of age
For the service -holder
In India maximum is sixty years.
Traditionally, said, service power
Going to be weakened,
Should leave the job
And take rest.
Retirement, a  fact of regration
Very pathetic
Brings in mind
The image of veladiction, Death,
Seemed, that the person
In working field
Become unable
Doing any work.
Retirement, seemed a foretell
Make us to feel,
That the person is
Going near to Death.
Financially, a  retired person
Become weak
And unable to mention
The family problems.
The date is a big shock
Somebody can bear it
And some others cannot,
As because, very soon falls in Death.
But actually the Retirement
Not a fact of regration;
A source of new way,
An indication, gives us
New way of life.
Retirement, not a veladiation,
But second time
Sun rising in life.
A Retired person, heaved in life

Much experiences
Makes mind more strong
Active and fruitful.
Retirement, not a veladiction
But an achievent
Long years boring life ended
And newly livelihood arises.

Retirement, not a grief
A turning point of life,
Make life more active
More joyous
As the person can move freely
Act freely, earn freely,
And can enrich others with his long experiences.
The retired person
Should not be worried,
As the date gives chance
Enjoy his life, new way.

# Kapil Avatar

(1)
Kardam Muni, instructed
That by his father Brahma
Must he be engaged in
Procreating people,
As world generation can survive.

(2)
Kardam muni set himself
In deep meditation,
Satisfied, and Narayan
Appearing before him
Asked about of his wish.

(3)
Delightful, happy joyous
Seeing Narayan in front
Kardam muni submitted
An appeal, that was
Need him a beautiful
And a sexual woman,
Completion of shringer, joyous mood
Child be procreated.
Wish was of his father Brahma.
Tathastu ! the word given
And Narayan disappeared.

(4)
Manu and Shatarupa
Son and daughter of Brahma
Married, lead a happy life
Sent in world, that hold creation.

(5)
Their daughter Devahuti
By whose beauty, charmed
And enchanted the world
Come to the age of
Shringer and procreation.

(6)
Spiritual comment from Brahma
Devahutis ring engagement
With Kardam muni.
Takes forward the generation.
Produces a meditative, wise son.

(7)
In the bank of  Swaraswati River
Kardam muni's Ashram was
Manu and Shatarupra with Devahuti
Arrived Kardam's Ashram suddenly.
The situation appeared, very surprising .

(8)
The guest was King. Queen, Princess
At Kardam muni's Ashram.
In 'Brahma Kuti," how I receive
My guest, ' how I manage',
"out of my capacity". However
That was done,
The guest satisfied.

(9)
Kardam muni astonished
As the Manu king proposed
"You are the suit
To my daughter, Devahuti."
It seems muni falls
From sky to ground.

(10)
Manu king offered
And Kardam Muni accepted.
Devahuti now, not princess
House wife of Kardam muni.

(11)
Astonished beauty of Manukanya
Bewitches  Muni in a way
That he is very glad
As it is the Narayan's blessings.

(12)
In the first coupling
Manukanya put an appeal,
In the foot of
Param Pujya Swami
"I wish your paternity
of my son."
'Tathastu'! the answer is.

(13)
For successfulness pryatama's will
Kardam muni again
Goes to the bank of Saraswati river
And sits in a deep meditation,
Prayer to Bhagawan Narayan,
"Give my son
In my pryatama's bed."

(14)
Heavenly  message that sounded
In Kardam munis soul
awakes from Tapasya
And returned  to Ashram.

(15)
The couple night-sleeping
That arranged,
A joyful shringer happens
Between Kardam muni and Manukanya
And the world become
Peaceful, joyous and satisfactory.

(16)
In the enchanting Shringer
Bhagawan Narayan himself enters
In the womb of Devahuti
As their son.

(17)
After ten month ten days
Devahuti gives birth to a child,
So charming enchanting, enlightening
That the sun rises newly.
The Puspabristi falls on them,
Enchantment continues by Devatas
All are in a happy mood.

(18)
Brahma father of Kardam muni
Appear before his son, says
"This son, Narayan himself
Comes in name of "Kapil;"
For the revival of Sankhyatatta
Again, you are good luck."

# Corona, a guide

Corona, you not a curse
But , a teacher, a guide
Teach us many, unknown,
Change our life style.

Revolutionary your thought
Horrified us, teach the process.
The incensement of immunity,
Body fitness and preventive care.

Cleanliness, distance keeping,
Time passing with family member.
Though of death, how can live
Every moment, busy to think.

Prevention is better than cure.
Comes among us,
Show your reality
And teach how to be fit.

Over speedy movement
Terrible, brings death in life
You minimizes the accidental climate
Lead life to live in harmony.

Beyond
Horizon
Publication

978-81-955424-0-6

Bengali Poetry | INR 150.00